# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

১০ সংখ্যা, ৯ আঘোণ, সোমবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 110 । DIBRUGARH, MONDAY, NOVEMBER 25, 2024 । পৃষ্ঠা ১৪ (Pag



LIBRARY,
ion No...


বিনিয়োগৰ লগত

২৪-২৫ যে



হৰিহৰ ম

উত্তৰ



## কানৈ মহাবিদ্যালয়ত দক্ষতা সজাগতা কাৰ্যসূচী

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত স্কিল যাত্ৰা, অসম দক্ষতা বিকাশ অভিযানৰ উদ্যোগত আৰম্ভ কৰা দক্ষতা সজাগতা কাৰ্যসূচীৰ এক অনুষ্ঠান আজি অনুষ্ঠিত হয়। বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰাৰ বাবে উৎসাহিত কৰা আৰু সুযোগ প্ৰদান কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা কাৰ্যসূচী উদ্বোধন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণত অধ্যক্ষগৰাকীয়ে চৰকাৰৰ এনে অভিলাষী কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশত বহুখিনি উপকৃত কৰিব বুলি মত প্ৰকাশ কৰি কয় যে এনে কাৰ্যসূচীৰদ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে তেওঁলোকৰ নিজৰ অন্তৰ্নিহিত দক্ষতা প্ৰদৰ্শন কৰিবলৈ সুযোগ পোৱাৰ লগতে ভৱিষ্যতে স্বাৱলম্বী হোৱাৰ পথো সুগম কৰিবলৈ সক্ষম হ'ব। মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ডঃ জ্যোতি শইকীয়াই আঁত ধৰা কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা সন্দৰ্ভত এক মনস্তাত্বিক পৰীক্ষা সম্পন্ন কৰা হয় আৰু একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। কাৰ্যসূচীত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ডঃ মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈ, অধ্যাপক ডঃ বিৰাজ দত্ত, অধ্যাপিকা ডঃ এনিশা দত্ত, অধ্যাপক ডঃ পৰাগজ্যোতি চুতীয়া, অধ্যাপক শিৱনাথ চুতীয়াৰ লগতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

---

নিজা বাতৰি দিওঁতা

**পাঠশালা, ২৪ নৱেম্বৰ ঃ** পাঠশালা প্ৰেছ ক্লাবৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ক্লাবৰ নৱনিৰ্মিত ভৱনৰ বাকৰিত উদ্‌যাপন কৰা হয়। ১৯৯০ চনৰ আজিৰ দিনটোতে সেই সময়ৰ কেইবাগৰাকীও স্থানীয় সাংবাদিকৰ প্ৰচেষ্টাত বজালী অঞ্চলৰ এই প্ৰেছ ক্লাবটোৱে জন্মলাভ কৰিছিল। পাঠশালাৰ তিনি নং ৱাৰ্ডত অৱস্থিত তথা ক্লাবৰ প্ৰাক্তন সভাপতি প্ৰয়াত সতীশ চন্দ্ৰ চৌধুৰীৰ পৰিয়ালবৰ্গই দান কৰা ভূমিত ইতিমধ্যে গৃহ নিৰ্মাণৰ কাম চলি আছে। দিনত ১০ বজাত প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি পুলু কুমাৰ শৰ্মাই। ক্লাবৰ সম্পাদক ৰঞ্জিৎ দাসে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সদস্য অশোক আগৰৱালাই। স্মৃতি তৰ্পণ মুকলি কৰে পাঠশালা প্ৰেছ ক্লাবৰ উপদেষ্টা কৈলাস চৌধুৰী আৰু

---

পূব কামৰূপ স

## 'অসমীয়া ভাষা জীয়াই

নিজা বাতৰি দিওঁতা

**বাইহাটা চাৰিআলি, ২৪ নৱেম্বৰ ঃ** 'অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা পাছতে দায়িত্ব শেষ নহয় সাহিত্য সভাৰ। অসম সাহিত্য সভাৰ লগতে সকলো শাখা সাহিত্য সভাই অসমীয়া ভাষা জীয়াই ৰখাৰ সংকল্প লৈ বিভিন্ন কৰ্ম আঁচনি লোৱা উচিত।' — এই মন্তব্য কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি তথা পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট নাট্যশিল্পী, নাট্যকাৰ, পৰিচালক অভিনেতা ডঃ নৃপেন্দ্ৰ নাথ তালুকদাৰৰ। আজি পূব কামৰূপ সাহিত্য সভাৰ বিশেষ বাৰ্ষিক অধিৱেশনৰ মুকলি সভা উদ্বোধন কৰি ডঃ তালুকদাৰে কয় যে প্ৰতি দিনে একোটা অসমীয়া শব্দ হেৰাই যাব ধৰিছে। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা সংস্কৃত ভাষাৰ অৱস্থাই হ'ব পাৰে অসমীয়া ভাষাৰ। অসমীয়া ভাষা-

সাহিত্যৰ উন্নতি হ'লেহে অসমী
থাকিব। উল্লেখ্য যে পূব কামৰূ
নৱনিৰ্মিত সভাকক্ষ আজি আনুষ্ঠা
কৰা হয়। সভাকক্ষ উদ্বোধন কৰে
সাহিত্য সভাৰ প্ৰাক্তন সভাপতি
মদন চন্দ্ৰ ডেকাই। কাৰ্যসূচী অনুস
অসম সাহিত্য সভাৰ পতাকা উ
কামৰূপ শতদল সাহিত্য সভাৰ
ডেকাই। পূব কামৰূপ শতদল সা
সভাপতি উৰ্বশী চৌধুৰী, দুগৰাকী
ক্ৰমে ৰজনীকান্ত তালুকদাৰ, দেৱে
বেজেৰা আঞ্চলিক মহাবিদ্যালয়ৰ
ডঃ চন্দ্ৰকান্ত গোস্বামীয়ে স্মৃতি তপ
-লয়। গছপুলি ৰোপণ কৰে পূব কাম
সভাৰ প্ৰাক্তন সভাপতি তৰুণ চন্দ্ৰ